অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/০০৯/৩৬/২০২২-২৩ তাৰিখ : ১৭.০১.২০২৩
Ref : Date :

# জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত অসমীয়া জাতিৰ পৰিচয়
# অসম জাতীয় বিদ্যালয়ৰ 'শিল্পী দিৱস'ত বিশিষ্ট শিল্পী জে পি দাসক সম্বৰ্দ্ধনা

**নুনমাটি, গুৱাহাটী, ১৭ জানুৱাৰী ঃ** "জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত আৰু সুৰে অসমীয়া জাতিৰ চিনাকি দিয়ে। তেওঁৰ গীতে অসমীয়া ভাষা-সাহিত্যৰ লগতে জাতিটোক অনুধাৱন কৰাৰ সুযোগ দিয়ে।" জ্যোতিপ্ৰসাদৰ সুৰীয়া গীতসমূহ স্বৰ্গৰ গীতৰ সৈতে ৰিজনি দি এই মন্তব্য কৰে অসমৰ বিশিষ্ট সংগীতজ্ঞ জে পি দাসে। আজি অসম জাতীয় বিদ্যালয়ত আয়োজিত শিল্পী দিৱসৰ অনুষ্ঠানত উপস্থিত থাকি বিশিষ্ট শিল্পীগৰাকীয়ে গীত আৰু কথাৰে অনুষ্ঠানটোত উপস্থিত সকলোকে আপ্লুত কৰে। অনুষ্ঠানৰ আৰম্ভণিতে জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে বিদ্যালয়ৰ শৈক্ষিক বিষয়া নৰেন্দ্ৰ মোহন গোস্বামীয়ে। বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে দিয়া আদৰণী ভাষণত এই দিৱসে অসমীয়া কলা-সংস্কৃতিৰ কথা সোঁৱৰায় বুলি মন্তব্য কৰি শিক্ষাৰ্থীসকলক শিল্পীসকলৰ মহান সৃষ্টিৰাজিৰ চৰ্চা কৰিবলৈ আহ্বান জনায়। শিল্পী দিৱসৰ তাৎপৰ্য্য ব্যাখ্যা কৰে বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰী প্ৰাৰ্থনা শৰ্মাই। অনুষ্ঠানত 'জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত আৰু কবিতাৰ মাজেৰে দেশপ্ৰেম' শীৰ্ষক বক্তৃতা আগবঢ়ায় নৱম শ্ৰেণীৰ শিক্ষাৰ্থী বসুধা সঞ্জয়ে। বিদ্যালয়ৰ বিজ্ঞান বিভাগৰ শিক্ষক অনুৰাগ ডেকাই জয়মতী বোলছবি নিৰ্মাণৰ আঁৰৰ কাহিনীৰ বিষয়ে সাৰুৱা ভাষণ দিয়ে। অনুষ্ঠানৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ গণিত বিভাগৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী যুথিকা পাটোৱাৰী আৰু অষ্টম শ্ৰেণীৰ ছাত্ৰী ঋতুমল্লিকা গোস্বামীয়ে জ্যোতিপ্ৰসাদ আগৰালাৰ 'অসমীয়া ছোৱালীৰ উক্তি' কবিতাটি আবৃত্তি কৰে। ইয়াৰ লগতে বিদ্যালয়ৰ একাংশ শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষাৰ্থীয়ে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনেৰে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনায়। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় ইংৰাজী বিভাগৰ শিক্ষয়িত্ৰী জ্যোতিৰেখা কলিতাই। অনুষ্ঠানটিৰ আঁত ধৰে নৱম শ্ৰেণীৰ শিক্ষাৰ্থী বৰষাৰাণী কলিতা আৰু লয়দীপ বৰুৱাই। শিল্পী দিৱসৰ অনুষ্ঠানটিৰ আহ্বায়কৰ দায়িত্বত আছিল ইংৰাজী বিভাগৰ শিক্ষয়িত্ৰী প্ৰীতিলতা পাটগিৰি।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়